BIKALI COLLEGE LIBRARY



# 2022

## ASSAMESE

## ( Skill Enhancement )

Paper : ASM-SE-5014

( আবৃত্তি কলা )

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১×৪=৪

(ক) বেদ বা শ্ৰুতি মানে কি?

(খ) কেইবাটাও ঋক্ বা ঋগবেদৰ মন্ত্ৰ লগলাগি কি গঠন হয়?

(গ) নেপালৰ ৰাজদৰবাৰৰ পৰা চৰ্যাপদ উদ্ধাৰ কৰা পণ্ডিত-গৰাকীৰ নাম কি?

(ঘ) যতি কাক বোলে?

(ঙ) আবৃত্তিৰ অভিধানগত অৰ্থ কি?

(চ) এটা ছন্দৰীতিৰ নাম লিখা।

BIKALI COLLEGE LIBRARY



(ছ) কবিতাৰ স্রষ্টাগৰাকীক কি বুলি কোৱা হয়?

(জ) আবৃত্তিক ইংৰাজীত কি অভিধাৰে বুজোৱা হয়?

২। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো তিনিটা) : ২×৩=৬

(ক) বেদ চাৰিখনৰ নাম লিখা।

(খ) আবৃত্তিৰ উৎপত্তি কোন সময়ৰ পৰা, কেনেকৈ হৈছিল বুলি কোৱা হয়?

(গ) ছন্দ কাক বোলে?

(ঘ) মাত্ৰাবৃত্ত ছন্দ বুলিলে কি বুজা?

(ঙ) আবৃত্তি এটিৰ সাৰ্থকতা কিহৰ ওপৰত নিৰ্ভৰ কৰে?

(চ) বাল্মিকী মুখ-নিঃসৃত ৰামায়ণৰ প্ৰথম শ্লোকফাঁকি লিখা।

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো দুটা) : ৫×২=১০

(ক) লিখন পদ্ধতি আৱিষ্কাৰৰ পূৰ্বে বেদ বা শ্ৰুতি কিদৰে সমাজত প্ৰবাহিত হৈ আছিল, ব্যাখ্যা কৰা।

(খ) ভাৰতত আৰ্য সভ্যতা কিদৰে বিস্তৃত হৈছিল, আলোচনা কৰা।

BIKALI COLLEGE LIBRARY



(গ) আৰ্য সমাজত আবৃত্তিৰ স্থান কেনেকুৱা আছিল ?

(ঘ) ধ্বনি কেইপ্ৰকাৰৰ আৰু কি কি ? সূত্ৰ লিখি উদাহৰণসহ বুজাই লিখা ।

(ঙ) আবৃত্তি আৰু সাধাৰণ পাঠৰ মাজত পাৰ্থক্য কি, বৰ্ণনা কৰা ।

(চ) আবৃত্তিত আবেগ কিদৰে সংপৃক্ত হৈ থাকে, আলোচনা কৰা ।

৪ । বহলাই আলোচনা কৰা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) আবৃত্তি বুলিলে কি বুজা ? আবৃত্তিৰ আৰম্ভণি কিদৰে হৈছিল, বৰ্ণনা কৰা ।

(খ) কবিতা এটিক উৎকৃষ্ট আবৃত্তিলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত আবৃত্তিকাৰে কি কি কৌশল অৱলম্বন কৰা উচিত, বৰ্ণনা কৰা ।

(গ) কাব্যত অলংকাৰ বুলিলে কি বুজা ? আবৃত্তিত শব্দালংকাৰৰ প্ৰয়োগ সম্বন্ধে উদাহৰণসহ আলোচনা কৰা ।

(ঘ) আবৃত্তিত উচ্চাৰণ, স্বৰ, আবেগ, সুৰ আদিৰ প্ৰয়োজনীয়তা সম্বন্ধে এটি আলোচনা যুগুত কৰা ।

(ঙ) শ্বাস-প্ৰশ্বাসৰ সৈতে আবৃত্তিৰ সম্পৰ্ক কেনেকুৱা, ব্যাখ্যা কৰা ।

BIKALI COLLEGE LIBRARY



(চ) গান আৰু আবৃত্তি একেইনে? তোমাৰ উত্তৰৰ সমৰ্থনত গান আৰু আবৃত্তিৰ সাদৃশ্য-বৈসাদৃশ্য সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(ছ) আবৃত্তিৰ প্ৰস্তুতি পৰ্বত আৱশ্যক হোৱা কাব্যবোধ আৰু কাব্যগতি সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(জ) ছন্দ আৰু যতিৰ ধাৰণা অবিহনে সুন্দৰ আবৃত্তি সম্ভৱ নহয়, আলোচনা কৰা।

★★★